
দৈনিক অগ্ৰদূত

সুন্দৰৰ আলিয়েদি

ভাওনা শিল্পী সত্যজিৎ ভূঞা

অৰূপ কলিতা

পিতৃ এজন দক্ষ ভাৱৰীয়া হোৱাৰ সূত্ৰে বাল্য কালৰে পৰা ভাওনাৰ প্ৰতি আগ্ৰহী হৈ পৰা তেজপুৰ মাজগাঁও শইকীয়া চুবুৰি নিবাসী সত্যজিৎ ভূঞা এজন নতুন প্ৰজন্মৰ দক্ষ ভাৱৰীয়া। ১৯৭৮ৰ সাত এপ্ৰিলত জন্মগ্ৰহণ কৰা ভূঞাৰ পিতৃ তোলন চন্দ্ৰ ভূঞা আৰু মাতৃৰ নাম বিজু ভূঞা। গ্ৰাম্য অঞ্চলটোত ভাওনাৰ এক পৰিৱেশ পূৰ্বৰে পৰাই আছিল আৰু পিতৃ যিহেতু এগৰাকী দক্ষ ভাৱৰীয়া আছিল, তেনেস্থলত বাল্য অৱস্থাতে ভাও দিয়াৰ বাবে আগ্ৰহী হৈ পৰা সত্যজিতে মাত্ৰ সাত বছৰ বয়সতে শইকীয়া চুবুৰী ৰাজহুৱা নামঘৰত 'বায়ু'ৰ ভাৰত অভিনয় কৰিছিল। ভাওনাৰে জড়িত হৈ পৰাৰ পাছতে এই ক্ষেত্ৰখনৰে এক বান্ধোনত বান্ধ খাই পৰা ভূঞাই পৰৱৰ্তী সময়ত দুৰ্যোধন, ভীম, শিৱ, বীৰভদ্ৰ, সেনাপতি আদিকে ধৰি বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে। মাজগাঁও বালিকা প্ৰাথমিক বিদ্যালয়, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দৰং মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰা এইজন যুৱকে ভাওনাৰ জৰিয়তেই এক নিজা পৰিচয় গঢ়াত সফলতা লাভ কৰে। মাজগাঁৱৰ বিভিন্ন নামঘৰৰ উপৰি, পিঠাখোৱা বৰনামঘৰ, মহাভৈৰৱ মন্দিৰ, পৰ্বতীয়া, তেলেৰীয়া, বিহগুৰি, জামুগুৰিহাট আদিকে ধৰি বিভিন্ন অঞ্চলত এই পৰ্যন্ত ডেৰশবাৰ ভাওনাত অভিনয় কৰিছে ভূঞাই। 'নিজা কৃষ্টি-সংস্কৃতি যদি আমি নিজেই নাৰাখো, তেনেহ'লে কোনে ৰাখিব বুলি কৰা চিন্তাধাৰাৰে ভাওনাত অভিনয় কৰি যোৱা ভূঞাই ভীমৰ অভিনয় যেনেদৰে কৰিছে একেদৰে দুৰ্যোধনৰ অভিনয়ো কৰিছে বহুবাৰ। তেজপুৰত ভাওনা অনুষ্ঠিত কৰি অহাসকলৰ অন্যতম এজন সহযোগী ৰূপে পৰিচিত ভূঞাই ভাওনাত অভিনয় কৰাটো সম্প্ৰতি এক আসক্তিত পৰিণত হোৱা বুলি কয়। ভাওনাৰ খোলৰ চেও শুনাৰ লগে লগে অভিনয়ৰ প্ৰবল ইচ্ছা ভাৱৰীয়াসকলৰ মনত জগাৰ দৰে বৰ্তমানেও ভাওনাত অভিনয়ৰ ক্ষুধা মনত পূৰ্বৰ দৰেই অটুট থকা বুলি কয় এইজন শিল্পীয়ে। ভাওনাৰ এজন বলিষ্ঠ ভাৱৰীয়া ৰূপে পৰিচিত হৈ পৰা ভূঞাই ইয়াৰ উপৰি ৰাসত একাধিকবাৰ 'শংখচূড়ৰ' ভাৱতো দুৰ্দান্ত অভিনয় কৰিছে। ভাওনাৰ অভিনয় সহজ নহয় বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে এই মহান কৰ্মৰে জড়িত হোৱাসকলৰ মনত সাত্বিকতাৰ ভাব যেনেদৰে আৱশ্যক, তেনেদৰে ভাওনাত অভিনয় কৰোতে কিছু নিয়ম-শৃংখলা ভাৱৰীয়াজনে মানি চলাটো অতিশয় আৱশ্যক বুলি কয় ভূঞাই। ভাওনা-ৰাসৰ অভিনয়ৰ মাজতে খোল বাদনৰ শিক্ষা গ্ৰহণ কৰা ভূঞাই পৰৱৰ্তী সময়ত খোলবাদনৰ আনুষ্ঠানিক প্ৰশিক্ষণ গ্ৰহণ কৰি সম্প্ৰতি তেওঁ শইকীয়া চুবুৰি ৰাজহুৱা নামঘৰৰ সহযোগী বায়নৰ দায়িত্বও পালন কৰিছে। উল্লেখ্য যে ভাওনা-ৰাসত অভিনয়ৰ বাবে সদাপ্ৰস্তুত আৰু 'দোহৰা' বায়নৰ দায়িত্বও পালন কৰি অহা এইজন শিল্পীয়ে ঢোলবাদনৰ কলাও আয়ত্ত কৰিছে। এক ৰাজহুৱা জীৱন অতিবাহিত কৰা তথা নিজা সংস্কৃতি-পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত অতিশয় আন্তৰিকতাৰে প্ৰচেষ্টা অব্যাহত ৰখা ভূঞাই ইয়াৰ মাজতে কে'বাখনো একাংকিকা নাটকতো অভিনয় কৰিছে। অঞ্চলটোৰ আন এজন শিল্পী প্ৰশান্ত বৰাৰ তত্ত্বাৱধানতে একাংকিকা নাটকত অভিনয় কৰাৰ বিষয়ে দোহাৰি ভূঞাই কয় যে শ্ৰীশ্ৰীশংকৰ নাট্যমন্দিৰ, বাণ থিয়েটাৰ আদিত অভিনয় কৰিবলৈ পোৱাতো তেওঁৰ জীৱনৰ অন্যতম প্ৰাপ্তি। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পাছতেই ১৯৯৪-৯৫ত প্ৰথমবাৰলৈ নাটকত অভিনয় কৰাৰ কথা সোঁৱৰণ কৰি ভূঞাই কয় যে 'মৃগতৃষ্ণা' নামৰ সেই নাটকৰ পাছতেই তেওঁ 'নবীন মাষ্টৰ' নাটকত এক গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছিল। ইয়াৰ উপৰি নাট্যকাৰ-সাংবাদিক প্ৰবীণ কুমাৰ শইকীয়া ৰচিত তথা বহুল চৰ্চিত নাটক 'ৰঙা চীনৰ আতংক'ত এজন আৰক্ষী বিষয়াৰ ৰূপত বাণ থিয়েটাৰত অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা ভূঞাই অভিনয়ৰ ক্ষেত্ৰখনৰ পৰা নিজকে আঁতৰাই অনাৰ কথা চিন্তা কৰিব নোৱাৰে বুলি কয়। বিশেষকৈ ভাওনাৰ অভিনয়ৰ বাবে মুখত ৰং সনাৰ অনুভূতিক শব্দৰে বুজাব নোৱাৰি বুলি প্ৰকাশ কৰি ভূঞাই লগতে কয়, 'ৰাস-ভাওনা আমাৰ ধৰ্মীয় তথা সামাজিক-সাংস্কৃতিক পৰম্পৰাৰ এক নিদৰ্শন। কিন্তু ইয়াৰ পাছতো ইয়াৰ ভাৱৰীয়াসকলক শিল্পী তথা অভিনেতাৰ পৰিচয় দিয়াত বহুতেই কৃপণালি কৰে।' পূৰ্বে বীৰৰসৰ সন্ধান দিয়া 'মদগজ' ভাও লৈ ভালপোৱা শিল্পী ভূঞাই সম্প্ৰতি কিছু পৃথক ভাবত অভিনয় কৰাৰ বিষয়ে প্ৰকাশ কৰি কয় যে এনে কাৰণতে শেহতীয়াকৈ শিৱৰ চৰিত্ৰ ৰূপায়ণ কৰিবলৈ আৰম্ভ কৰিছে। সুস্বাস্থ্যৰ অধিকাৰী এইজন ভাৱৰীয়াই সম্প্ৰতি সচৰাচৰ কৰি অহা ভাৱৰ পৰিৱৰ্তে আন কিছু পৃথক ভাৱত অভিনয় কৰিবলৈ নিজকে সাজু কৰাৰ সন্দৰ্ভত কয় যে এনেদৰে নিজকে জুখি চোৱাৰো এক প্ৰত্যাহ্বান গ্ৰহণ কৰা হৈছে। নামঘৰৰ মজিয়াৰ পৰাই অভিনয়, সংস্কৃতিৰ অংকুৰ বিকশিত হয় আৰু সেয়ে এইখন মজিয়া পবিত্ৰ হোৱাৰ লগতে জাতিৰ পৰিচয়ৰ ভেটি বুলি মন্তব্য কৰি শিল্পী ভূঞাই ব্যৱসায়িক ব্যস্ততাৰ মাজতো ভাওনা-ৰাসত অভিনয় কৰি যাব বুলি কয়।।

সহস্ৰাধিক ভাওনাত অভিনয়ৰে প্ৰতিষ্ঠিত শিল্পী নৰেন শইকীয়া

জয়ন্ত হাজৰিকা

অভিনয়, কলা-সংস্কৃতি সাধনাই মানুহৰ জীৱন প্ৰণালীবদ্ধ কৰি গঢ়ি তোলে। তেনেদৰে অভিনয়ক বন্ধুত্বৰে আঁকোৱালি ল'লে জীৱন হৈ পৰে ছন্দময়। লাগে মাথোঁ একাগ্ৰতা-সাধনা আৰু অধ্যাৱসায়। এনে এজন বলিষ্ঠ অভিনেতা গোলাঘাট জিলাৰ ফৰকাটিং ফাটোৱাল গাঁৱৰ নৰেন শইকীয়া। পত্নী ঊষা দত্ত শইকীয়া এগৰাকী শিক্ষয়িত্ৰী। সন্তান তিনিটা। পুত্ৰ দুজন আৰু কন্যা এগৰাকী প্ৰয়াত যজ্ঞুৰাম শইকীয়া আৰু ফুলেশ্বৰী শইকীয়াৰ দ্বিতীয় সন্তান নৰেন শইকীয়া ১৯৬৪ৰ পৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি ভাওনা অভিনয় কৰি ৰাইজৰ প্ৰিয়জন হৈ পৰিছে। উচ্চ শিক্ষাৰে শিক্ষিত শিল্পীজনে শিক্ষা আহৰণৰ সমান্তৰালভাৱে কলা-সংস্কৃতিৰ পৰম্পৰাগত গুৰুমুখী শিক্ষা গ্ৰহণ কৰে। ১৯৬৪ তে স্থানীয় অঞ্চলৰ বিশিষ্ট লোকশিল্পী তথা সুদক্ষ অভিনেতা প্ৰয়াত উমা নাথ আৰু নৰেন শইকীয়াৰ জ্যেষ্ঠ ভ্ৰাতৃ প্ৰয়াত ফণীধৰ শইকীয়াৰ ওচৰত অভিনয় আৰু লোকবাদ্য খোল-তাল আৰু নাগাৰাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি এই যাত্ৰা আজি পৰ্যন্ত থমকি ৰোৱা নাই। পৰিয়াল পৰিচালনাৰ বাবে ৰাজহ চক্ৰ বিভাগত লাটমণ্ডল পদত নিযুক্ত হৈও কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত নিবিড়ভাৱে জড়িত হৈ আহিবলৈ সক্ষম হয়। সফল অভিনয় কৰা শইকীয়াই গায়ন-বায়ন, নাগাৰা, সূত্ৰ নৃত্য-ভাওনা আদিত সাৱলীল ৰূপত পৰিৱেশন কৰি ৰাইজৰ সমাদৃত হৈছে। বিশেষকৈ ভাওনা শিল্পী তথা মঞ্চ অভিনেতাজনে সাম্প্ৰতিক সময়লৈকে ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰৰ উপৰি জিলাখনৰ বিভিন্ন সাংস্কৃতিক-আধ্যাত্মিক আৰু সামাজিক অনুষ্ঠানত এক সহস্ৰাধিক মহাপুৰুষীয়া নাটত বলিষ্ঠ অভিনয় প্ৰদৰ্শন কৰি নিজক প্ৰতিফলিত কৰাৰ লগতে দৰ্শকৰ পৰা বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। শিল্পী শইকীয়াৰ অভিনয় জীৱনৰ স্মৰণীয় কথা যে গোলাঘাট ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত চাকৰি জীৱনত মুঠ ১২ খন মহাপুৰুষীয়া ভাওনাত উদ্যোগ গ্ৰহণ কৰি আৰু নিজে ভালেইখন নাটত মুখ্য চৰিত্ৰত সফল অভিনয় ৰূপায়ণ কৰি জীৱনত সন্তুষ্টি লাভ কৰিছে। অমায়িক শিল্পীজনে সহস্ৰাধিক ভাওনাত অভিনয় কৰা কেইখনমান নাট হ'ল ভীষ্মৰ শৰশয্যা পমাদৰ শ্ৰীহৰি দৰ্শন, দানবীৰ ৰজা হৰিশ্চন্দ্ৰ, ভগীৰথী গংগা উদ্ধাৰ, পুৰঞ্জনৰ উপাখ্যান, চাৰিবেদ উদ্ধাৰ, সাৱিত্ৰী-সত্যবান, হৰিনামৰ মহিমা, দক্ষ যজ্ঞ, অনন্ত মহিমা, চম্পক উদ্ধাৰ, হংসধ্বজৰ শ্ৰীকৃষ্ণ দৰ্শন, ত্ৰিশংকৰ স্বৰ্গযাত্ৰা আদি। উল্লেখ্য যে শিল্পীজনে সূত্ৰধাৰ নৃত্যত আৰু ভালেকেইখন মহাপুৰুষীয়া নাটত পুৰস্কাৰ লাভ কৰি বৃহত্তৰ ফৰকাটিং অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। চিৰ চেনেহী মোৰ ভাষা জননীৰ সেৱাৰ লগত আজীৱন জড়িত ভাৱৰীয়াজনে মহাপুৰুষীয়া নাটত সফল অভিনয় কৰি সমাজ সংস্কাৰ কৰাৰ ক্ষেত্ৰত অশেষ বৰঙণি আগবঢ়োৱাত গোলাঘাট জিলা সাহিত্য সভাই অভিনন্দন জ্ঞাপন কৰি অনুপ্ৰেৰণা আগবঢ়াইছে। স্বভাৱতে শিল্পী নৰেন শইকীয়া এজন বৰ ৰসিক ব্যক্তি। তেওঁৰ কথা কোৱাৰ শৈলীত এটা সুন্দৰ কলা অন্তৰ্নিহিত হৈ আছে। সেয়েহে অসমৰ কাব্যিক জগতত আৰু সমাজত এটা ভাল চিনাকি আছে। কাৰণ তেওঁ সুন্দৰকৈ কবিতা আবৃত্তি কৰিব পাৰে আৰু উদ্ভাসিত প্ৰতিভাৰে ভালেসংখ্যক কবিতা-প্ৰবন্ধ-গল্প সৃষ্টি কৰিছে। ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ সান্নিধ্যত ১৯৭৯ত তেওঁৰ স্বৰচিত কবিতা সংকলন 'স্নেহ নিজৰাৰ পাৰে পাৰে' প্ৰকাশ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি কবিজনে ২০১৬ত মোৰ একান্ত বাসনাৰ স'তে নামৰ কাব্য সংকলন, ১৯৯২ত উপকণ্ঠ কাব্যালোচনী সম্পাদনা আৰু যুটীয়াভাৱে শিৰাই শিৰাই ধনশিৰি কাব্য সংকলন প্ৰকাশ কৰি কবিতাপ্ৰেমীৰ মাজত উছৰ্গা কৰিছে। এই ক্ষেত্ৰত প্ৰগতিশীল চিন্তাধাৰাৰ কবিজনে ড° নগেন শইকীয়া, ড° ভূপেন হাজৰিকা আৰু হোমেন বৰগোহাঁইৰ দৰে মহান মনীষীসকলৰ আশিস লাভ কৰি আহিছিল। ভাওনা-নাটক, কবিতা ক্ষেত্ৰখনত প্ৰভূত অৰিহণা আগবঢ়াই অহা ব্যক্তিজনে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আহিছে। শিশুসকলক নিজৰ সন্তানৰ দৰে আদৰি লোৱা শইকীয়াই আজীৱন মইনা পাৰিজাত অনুষ্ঠানত নিজৰ জীৱন উছৰ্গিত কৰিবলৈ সক্ষম হৈছে। সৰবৰহী শিল্পীজনে মঞ্চ অভিনয় আৰু ক্ষুদ্ৰ বোলছবি অভিনয়তো দখল থকা ব্যক্তি। ফৰকাটিং অমৰজ্যোতি ক্লাবত মঞ্চস্থ কৰা পূৰ্ণাংগ নাটক বৃন্দাবনত আৰু বৰুৱাগাঁৱৰ ৰাজহুৱা ৰংগ মঞ্চত অনুষ্ঠিত বনৰীয়া ফুল নাটকত আৰু নুমলীগড়ৰ কুৰাবাহী যুৱ সংঘৰ ৰংগমঞ্চত আয়োজিত কবি নামৰ পূৰ্ণাংগ নাটকত সফল অভিনয় ৰূপায়ণ কৰাৰ উপৰি ভি চি ডি ছবি শৰতৰ প্ৰেম আৰু মাথোঁ বিচাৰো তোমাক ছবিত নিখুঁত অভিনয় কৰি জনপ্ৰিয়তা পাইছে। সাহিত্য, কলা-সংস্কৃতি সাধনা কৰি অহাৰ অনুৰূপভাৱে সামাজিক ক্ষেত্ৰখনতো বহুখিনি বৰঙণি আগবঢ়াই আহিছে। তেওঁ ১৯৯২ত ফৰকাটিং শাখা সাহিত্য সভা প্ৰতিষ্ঠাত উদ্যোগ গ্ৰহণ, গোলাঘাট জিলা কবি সন্মিলন, জিলা সাংস্কৃতিক মহাসভা অসম, জিলা সাহিত্য সভা, জিলা মইনা পাৰিজাত, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাত আদি অনুষ্ঠান-প্ৰতিষ্ঠানত জড়িত হৈ সামাজিক জীৱন অতিবাহিত কৰিবলৈ সক্ষম হৈছে। শিল্পীজনৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰা হ'ল।

লোকশিল্পী কুলেন্দ্ৰ নাথ

হৰেণ ডেকা

দৰঙী কলা-কৃষ্টিৰ একান্ত সাধক তথা অসমৰ পুৰাতন কালীয়া কৃষ্টিৰ ধাৰক-বাহক তথা দৰঙৰ একমাত্ৰ কালীয়া শিল্পী কুলেন্দ্ৰ নাথ। ১৯৪৬ত দৰঙৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নিজ ছিপাঝাৰ গাঁৱৰ তুবাপাৰা চুবুৰিৰ অষ্টম দৰিদ্ৰ লোকশিল্পীৰূপে ১২ বছৰ বয়সতে তুবাপেৰীয়া বৰঢুলীয়াৰ স'তে সম্পৰ্ক গঢ়ি তোলে। অঞ্চলটোৰ দৰিদ্ৰ কৃষক খড়িধৰ নাথ আৰু গোন্ধেশ্বৰী দেৱীৰ পুত্ৰ কুলেন্দ্ৰ নাথে সৰুতে বৰ তীখৰ বুদ্ধিৰ আছিল যদিও কমান শ্ৰেণীতেই পঢ়া-শুনা অন্ত পেলাই দৰঙৰ লোক-কৃষ্টিৰ পথাৰত নিয়োজিত হৈ পৰে। শিল্পীজনৰ ভাষাত গাঁৱৰ পাঠশালাত পণ্ডিত ৰজত চন্দ্ৰ বণিয়া আৰু পণ্ডিত নৰেশ্বৰ নাথৰ তত্ত্বাৱধানত বৰ ক শ্ৰেণীলৈ পঢ়িছিলো যদিও ঘৰুৱা আৰ্থিক অৱস্থাৰ বাবে সিমানতে পঢ়া-শুনা বাদ দি বৰঢুলীয়াৰ দলত সোমাওঁ। সেই সময়ৰ বৰঢুলীয়াৰ বাইন কোমল নাথ, উত্তম নাথ, ফণীধৰ নাথ, হলধৰ কলিতাৰ তলত বৰঢুলীয়াৰ বিভিন্ন খোদ, কুস্তি কৰিছিলো। পাছলৈ চানাবাপা-ডাঙাৰ বাপাৰ গীত গাই পুতলা নচুৱাই ৰাইজক আমোদ দিছিলো।' এইদৰে শিল্পী জীৱনৰ কথা সুঁৱৰি শিল্পীজন নষ্টালজিক হৈ পৰে। স্মৰ্তব্য যে লোকশিল্পীজনে বৰঢুলীয়া কৃষ্টি অসমৰ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰিছিল। বিশেষকৈ তেজপুৰ সাহিত্য সভা, কাৰ্বি আংলং সাহিত্য সভা, কলিয়াবৰ, কামৰূপৰ গুৱাহাটী, গোৰেশ্বৰ, ৰঙিয়া আদি ঠাইত বৰঢুলীয়া সৃষ্টি প্ৰদৰ্শন কৰি ৰাইজক আনন্দ দান কৰে। এনেদৰে বৰঢুলীয়া কৃষ্টি, নিজ ছিপাঝাৰৰ সুকনান্নী ওতাপালি ওজা কুমুদ চন্দ্ৰ কলিতাৰ লগত সুকনান্নী ওজাপালি ডাইনাপালি হিচাপেও কিছু বছৰ ধৰঙৰ সাংস্কৃতিক ক্ষেত্ৰখনত দপ্‌দপাই ফুৰিছিল। স্মৰ্তব্য যে ১৯৭৪ৰ পহিলা জুলাইত দৰঙৰ সুসন্তান তথা সাহিত্যিক অতুল চন্দ্ৰ বৰুৱাৰ বিশেষ তত্ত্বাৱধানত জন্ম হৈছিল দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ। সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অতুল চন্দ্ৰ বৰুৱাৰ পৰামৰ্শ অনুযায়ী দৰঙৰ লুপ্তপ্ৰায় কালীয়া শিল্পক পুনৰুদ্ধাৰ কৰিবলৈ কুলেন্দ্ৰ নাথক দায়িত্ব দিয়ে। বৰুৱাৰ আদেশ মানি কুলেন্দ্ৰ নাথে সলপামৰ আতহুৰাম নাথৰ ওচৰত কালীয়া কৃষ্টি সাধনা কৰে আৰু দৰঙৰ একমাত্ৰ কালীয়া শিল্পী হিচাপে পৰিচিত হয়। ১৯৭৪ৰ পৰা বৰ্তমানলৈকে কি চৰকাৰী, কি ব্যক্তিগত অনুষ্ঠান সকলোতে আগভাগ পোৱা নাথ সম্প্ৰতি দৰং তথা অসমৰ এজন লেখৰ লোকশিল্পী। ইতিমধ্যে দৰং জিলা প্ৰশাসন, দৰং জিলা সাহিত্য সভা, মঙলদৈ প্ৰেছ ক্লাব, মিডিয়া চাৰ্কোল, মঙলদৈ, নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট, পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাট, ছিপাঝাৰ প্ৰেছ গীল্ড, উদাছ, ঐক্যতান, চৰ্চা, নেপথ্য, গণতাল, ছিপাঝাৰ সাহিত্য সভা, দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ আদি একাধিক সংগঠনে অভিনন্দিত কৰা লোকশিল্পীজনে বিগত ৬০টা বছৰে নীৰৱে কৃষ্টি সাধনা কৰি আহিছে। খেতি কৰিবলৈ মাটি নাই। পুত্ৰ-পত্নী-বোৱাৰী পাঁচটি পৰিয়াল ভৰণ-পোষণৰ প্ৰধান আহিলা একমাত্ৰ কালী শিল্পটো। সম্প্ৰতি বাৰ্ধক্যই কোঙা কৰা শিল্পীজনৰ দেহত জোৰ নোহোৱা হৈ আহিছে কফে-বাতে কোঙা কৰা শিল্পীজনৰ সম্প্ৰতি অলপতে ভাগৰ ভাগৰ অনুভৱ কৰে। প্ৰতিটো বছৰে চৰকাৰৰ ওচৰত শিল্পী পেঞ্চনৰ বাবে আবেদন জনাই আহিছে যদিও বিগত ১৫ বছৰে শিল্পী পেঞ্চনটো তেওঁ ভাগ্যত উঠা নাই বুলি আক্ষেপ কৰে শিল্পীজনে। স্মৰ্তব্য যে ২০১১ত এককালীন সাহায্য লাভ কৰিছিল যদিও বিগত বছৰসমূহত চৰকাৰৰ সুদৃষ্টি শিল্পীজনৰ ওপৰত নাই। এনে ধৰণে নিৰৱচ্ছিন্নভাৱে লোক-কৃষ্টি সাধনা কৰাৰ পাছতো কিয় তেওঁৰ নামটো বাৰে বাৰে বঞ্চিত হয় এয়াও এক সাঁথৰ।

শিল্পী বৰষা ৰাভাৰ অবিৰত যাত্ৰা

তিনি বছৰ বয়সতে আৰম্ভ কৰিছিল সংগীতৰ যাত্ৰা

স্বপন কুমাৰ ৰাভা

তিনি বছৰ বয়সতে বৰষা ৰাভাই আৰম্ভ কৰিছিল সংগীতৰ যাত্ৰা। দুধনৈৰ সমীপৱৰ্তী পুৰণিভিটাত জন্ম লাভ কৰা বৰষাই মাক কণ্ঠশিল্পী নমিতা ৰয় আৰু দেউতাক বাদ্যশিল্পী তথা শিক্ষক গোপাল চন্দ্ৰ ৰাভাৰ পৰা সংগীতৰ প্ৰতি অনুপ্ৰেৰণা লাভ কৰে। মাক আৰু দেউতাকে একেলগে যেতিয়া বিভিন্ন মঞ্চত সংগীত পৰিৱেশন কৰিছিল তেতিয়া মঞ্চত কণমানি বৰষাও লগত আছিল। মাকে গীত পৰিৱেশন কৰে আৰু দেউতাকে বাদ্য সংগত কৰে। মাক আৰু দেউতাকৰ সান্নিধ্যত এইদৰে থাকি বৰষাও নজনাকৈয়ে সংগীত জগতৰ স'তে বিলীন হৈ যায়। এদিনা মাকে এখন মঞ্চত গীত পৰিৱেশন কৰি থাকোতে মাকৰ হাতৰ পৰা মাইক্ৰফোনটো টানি আনি ফুটা-নুফুটা মাতেৰে গীত গাইছিল। সেয়াই আৰম্ভণি। পিছলৈ দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ, লেখিকা সমাৰোহ সমিতি আদিৰ বিভিন্ন সভা-সমিতি তথা অধিৱেশনবোৰত বাদ্য-যন্ত্ৰ নোহোৱাকৈ গীত পৰিৱেশন কৰিছিল আৰু ৰাইজৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। বৰষাই ঘৰখনতে সংগীতৰ পৰিৱেশ লাভ কৰাৰ লগতে মোমায়েক সংগীত শিল্পী সুকুমাৰ ৰয়ৰ পৰা লাভ কৰিছিল সংগীতৰ শিক্ষা। বৰষাই সপ্তম শ্ৰেণীত থাকোতেই দুধনৈৰ ভাৰতী সংগীত বিদ্যালয়ৰ পৰা বিশাৰদ ডিগ্ৰী লাভ কৰে। স্কুলীয়া জীৱনতে তেওঁ অসমৰ বিভিন্ন প্ৰান্তত সদৌ অসম ভিত্তিত অনুষ্ঠিত বিষ্ণু সংগীত, জ্যোতি সংগীত প্ৰতিযোগিতাত পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। ২০১২ত দুধনৈত অনুষ্ঠিত 'সা-ৰে-গা-মা'ত প্ৰথম ৰাণাৰ্ছআপ হৈছিল। তদুপৰি অভয়াপুৰীত সদৌ অসম ভিত্তিত অনুষ্ঠিত ভূপেন্দ্ৰ সংগীত, কটন মহাবিদ্যালয়ত অনুষ্ঠিত 'মহাবিদ্যালয় সপ্তাহ সমাৰোহ'ত অসমীয়া আধুনিক গীত, গোৱালপৰীয়া লোকগীত, জনজাতীয় লোকগীতত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এইদৰে তেওঁ স্কুলীয়া জীৱন আৰু কলেজীয়া জীৱনত সুনাম অৰ্জন কৰাৰ উপৰি অসমৰ বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰি ৰাইজৰ মৰম-চেনেহ বুটলিবলৈ সক্ষম হয়। বৰ্তমান বৰষাই তেজপুৰ বিশ্ববিদ্যালয়ত ৰসায়ন বিজ্ঞানত অধ্যয়ন কৰি থকাৰ লগতে সমান্তৰালভাৱে সংগীতৰ ক্ষেত্ৰত গুৰু বিৰাজ সূত্ৰধৰৰ ওচৰত নিপুণ ডিগ্ৰীৰ বাবে শিক্ষাগ্ৰহণ কৰি আছে। বৰষাই ইতিমধ্যে কে'বাটাও অডিঅ' আৰু ভিডিঅ' এলবামত গীত আৰু অভিনয় কৰিছে। তাৰে ভিতৰত ৰাভা অডিঅ' কেছেট খাপাক, চিলিঙি নাচিকায়, ছিঙিখুৰাং আৰু কোচ ভাষাৰ 'পিদান পাৰ'ত কণ্ঠদান কৰিছে। ২০১৬ত বাসুদেৱ ৰাভা, জয়চন্দ্ৰ ৰাভা আৰু জয়দেৱ ৰাভাই বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতসমূহ ৰাভা ভাষাত অনুদিত কৰি উলিওৱা অডিঅ' এলবামৰ ১১ টা গীতত কণ্ঠদান কৰিছে বৰষা ৰাভাই। এলবামটোয়ে শ্ৰোতা ৰাইজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছে। শেহতীয়াভাৱে কণ্ঠশিল্পী প্ৰয়াত জিতেন ডেকাৰ স্মৃতিত তেওঁৰ কথা আৰু সুৰেৰে 'মোৰ অনুভৱে' নামৰে এটি অডিঅ'-ভিডিঅ' এলবাম উলিয়ায়। ইয়াৰ উপৰি বৰষাই এন ই টিভি, নিউজ লাইভ আৰু দূৰদৰ্শনতো গীত পৰিৱেশন কৰে। বৰ্তমান ৰাভা অডিঅ'-ভিডিঅ' আৰু এখন কাৰ্বি ভাষাৰ অডিঅ' এলবামত গীত গোৱাৰ বাবে প্ৰস্তুতি চলাই আছে বৰষাই।

চিৰসেউজ চিত্ৰশিল্পী ৰাণা কলিতা

শান্তনু দত্ত

গোলাঘাটৰেই নহয় অসমৰ এজন অন্যতম চিত্ৰশিল্পী হ'ল ৰাণা কলিতা। সৰুৰে পৰাই চিত্ৰকলাৰ সাধনাত ব্ৰতী থকাৰ উপৰি সমাজ আৰু জাতিৰ হকে সংগ্ৰাম কৰা কলিতা গোলাঘাটবাসীৰ মাজত এটি পৰিচিত নাম। গোলাঘাট নগৰৰ চান্দমাৰীৰ ১০ নম্বৰ ৱাৰ্ডত বাস কৰা, প্ৰয়াত শিল্পী অৰুণ কলিতা আৰু প্ৰয়াত মাতৃ কমলা কলিতাৰ সুযোগ্য সন্তান ৰাণা কলিতাই চিত্ৰকলাৰ আনুষ্ঠানিক শিক্ষা লাভ কৰিছিল দেউতাকৰ পৰা। পিতৃৰ পদাংক অনুসৰণ কৰি কলিতাই সৰুৰে পৰাই চিত্ৰকলাৰ গভীৰ সাধনাৰ মাজলৈ সোমাই গৈ ইখনৰ পাছত সিখনকৈ বহুমূলীয়া চিত্ৰ অংকন কৰি গৈছে। তেওঁ ৱাটাৰ কালাৰ, চচ পেইণ্টিং, ৰিলিফ ৱৰ্ক, এক্ৰেইলক, অইল মাধ্যমকে ধৰি কুমাৰ মাটিৰে সুন্দৰ বিহুৰ নাচ, খেতিৰ দৃশ্য নিৰ্মাণ কৰাৰ উপৰি শিল্পীজনৰ ঘৰলৈ গ'লে অনুভৱ কৰিব পৰা যাব প্ৰকৃত সাধক শিল্পীজনৰ জীৱন, ধুনীয়াকৈ সজাই ৰখা অলেখ চিত্ৰ। বৃহৎ বৃহৎ কেনভাচত অংকন কৰি ৰখা প্ৰতিখন চিত্ৰই যেন অসমৰ জনজীৱন আৰু মানৱতাৰ কথা কৈ আছে। অসমৰ জাতীয় সম্পদৰাজিৰ জৰিয়তে অসমৰ সাতামপুৰুষীয়া ঐক্য, সংহতিৰ কথা চিত্ৰসমূহত প্ৰতিফলিত হৈছে। শিল্পীজনে তেওঁৰ ঘৰত হেৰাই যাব বিচৰা টোকোৰা চৰাইৰ বাহৰ লগতে আমাৰ কৃষি পথাৰৰ আপুৰুগীয়া সম্পদসমূহো সংৰক্ষণ কৰি ৰাখিছে। চিত্ৰকলাৰ সাধনাৰ মাজেৰে কলিতাই সময় উলিয়াই কবিতা, প্ৰবন্ধ আদিও লেখা-মেলা কৰি আহিছে। কলিতাৰ কে'বাখনো চিত্ৰ গোলাঘাটৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ আলোচনা কক্ষত দেখা যায়। ইয়াৰ উপৰি গোলাঘাটৰ চৰকাৰী কাৰ্যালয়, মহাবিদ্যালয়-বিদ্যালয়সমূহত মহাবীৰ লাচিত বৰফুকনৰ চিত্ৰ ৰখা দৃষ্টিগোচৰ হৈছে। কলিতাই গোলাঘাটকে ধৰি অসমৰ বিভিন্ন স্থানত তেওঁৰ একক চিত্ৰ প্ৰদৰ্শন কৰি ৰাইজৰ ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ জনোৱা মতে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ হাতত মহাপুৰুষ শংকৰদেৱৰ আৰু মহান বীৰ লাচিত বৰফুকনৰ কাল্পনিক চিত্ৰ আৰু মহান পুৰুষ দুজনাৰ জীৱনৰ ওপৰত অসমীয়া আৰু হিন্দী ভাষাত লিখিত সৰু ৰচনাৱলী অৰ্পণ কৰিব বুলি কয়। সাহস, ধৈৰ্য্য, একাগ্ৰতা আৰু সংযমেৰে নিজৰ জাতিৰ হকে চিত্ৰকলা আৰু সমাজসেৱাৰ মাজেৰে আগুৱাই যোৱাৰ অভিপ্ৰায় কৰা শিল্পীজনক আজিও চৰকাৰে সহায়, উৎসাহ দিয়াৰ ক্ষেত্ৰত আগুৱাই অহা নাই। চিত্ৰশিল্পী কলিতাৰ দৰে অসমৰ বহু শিল্পী অনাদৃত হৈ আছে বুলি আক্ষেপ প্ৰকাশ কৰে। শিল্পীসকলৰ দুৰৱস্থাৰ প্ৰতি চৰকাৰে গুৰুত্ব নিদিয়ে যাৰ বাবে বহু শিল্পীয়ে ভোকাতুৰ হৈ মৃত্যুকো আঁকোৱালি ল'বলগা হয় বুলি তেওঁ কয়।

সমাজ সুন্দৰ কৰাৰ সপোন শেখৰ মজুমদাৰৰ

হিতেশ হাজৰিকা

অসময়ত ফোনটো বাজি উঠিলেই ১০ বছৰীয়া পুত্ৰ অভিজিত শেখৰে কয়, 'তেজ-তেজ, ৰক্ত!' কথাখিনি বুজি লৈ পত্নী সন্ধ্যা ৰাণী দেই কয়, 'ঘৰৰ বাকী কামখিনি মই চম্ভালিম দিয়ক। আপুনি যাওক!' সেইমতে তেৰোঁ পুৰণা স্কুটাৰখনেৰে ঘৰৰ পৰা বেগাই ওলাই যায়। ৪৫ বছৰীয়া এই যুৱকজনক মঙলদৈ চহৰত চিনি নোপোৱা মানুহ নিশ্চয় নাই। তিনি নম্বৰ ৱাৰ্ডৰ শান্তিপুৰৰ প্ৰয়াত সন্তোষ মজুমদাৰৰ দ্বিতীয় পুত্ৰ এই যুৱকজনেই হৈছে শেখৰ মজুমদাৰ। এল এন বি পথৰ 'ছুপাৰ ওৱাচ' নামৰ ঘড়ীৰ দোকানখনৰ গৰাকী শেখৰক সততে ব্যস্ত ৰূপত দেখা যায় সামাজিক অনুষ্ঠানত, সাংস্কৃতিক মঞ্চত, ধেমেলীয়া আড্ডাত নতুবা ৰক্তদান শিবিৰ আদিত।

সৰুতে তেওঁ শান্তিপুৰ বিহুতলী, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভেশচন, নাটক, গান-বাজনাৰ উপৰি কাবাদী খেল খেলিছিল। মঙলদৈ কলেজতো এই ধাৰা অব্যাহত ৰাখিছিল। বুটলিছিল পুৰস্কাৰ। শেহতীয়াভাৱে তেওঁ বিভিন্ন সাংস্কৃতিক গোষ্ঠীৰ স'তে নিবিড়ভাৱে জড়িত। জাগ্ৰত সাংস্কৃতিক গোষ্ঠীৰ উপদেষ্টা, জেংৰাই অসমৰ উপদেষ্টা, অসমীয়া বোলছবি পুনৰুদ্ধাৰত ব্ৰতী 'আইদেউ টকীজ'ৰ মঙলদৈ শাখাৰ উপদেষ্টা তেওঁ। এই গোষ্ঠীকেইটাৰ উপৰি 'ক্ৰিয়েটিভ আৰ্হি'ৰ উদ্যোগত ইউটিউবৰ জৰিয়তে প্ৰচাৰিত ধাৰাবাহিক আদিত পাঞ্জাৰী, বেঙা, মাষ্টৰ, সোপাধৰা আদি খুহুটীয়াধৰ্মী চৰিত্ৰত অভিনয় কৰিছে। হীৰেন বৰাৰ পৰিচালিত চলচ্চিত্ৰ 'বাঁহী'ত কৃষকৰ চৰিত্ৰ এটাতো অভিনয় কৰিছে। কাঠফুলাৰ খেতি আৰু প্ৰদূষণ বিষয়ত বিজ্ঞাপনতো ভুমুকি মাৰিছে। চপাই বিহুতলীত দৰং জিলা ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত 'বেষ্ট কমেডিয়ান'ৰ বঁটা বুটলিছে শেখৰ মজুমদাৰে।

সমান্তৰালভাৱে তেওঁ বহু দুৰ্গতজনৰ মাজত 'নিয়মীয়া ৰক্তদাতা'ৰূপে সুপৰিচিত। ১৯৯২ত এছ এছ বি জোৱান বন্ধু এজনক ৰক্তদান কৰিবলৈ আগবাঢ়ি যাওঁতে ধৰা পৰিছিল যে তেওঁ এটা বিৰল গ্ৰুপৰ অধিকাৰী। সেয়া হৈছে 'বি নিগেটিভ'। তেতিয়াৰ পৰাই 'ৰক্তদান, জীৱন দান' হৈ পৰে তেওঁৰ জীৱনৰ মূলমন্ত্ৰ। বিগত ২৬ বছৰত তেওঁ ৰক্তদান কৰিছে মুঠ ৩৮বাৰ। ৰক্তদান কৰা বহুতক তেওঁ চিনি পায়, বহুতৰ বিষয়ে আকৌ একোকে নাজানে। মহান আদৰ্শবান ব্যক্তি প্ৰয়াত সুনন্দ ৰাম ডেকাক কৰিছে তিনিবাৰকৈ ৰক্তদান। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ 'ৰক্ত ভাণ্ডাৰ'ৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত শেখৰে গুৱাহাটীৰ প্ৰায়কেইখন নাৰ্ছিং হোমৰ উপৰি মালিগাঁও ৰেলৱে হাস্পতাল, নুমলীগড় ৰিফাইনাৰী, বি আৰ পি এল আদিলৈও গৈছে। মুঠতে 'মানুহ' নামৰ কাৰোবাক তেজ লাগে বুলি শুনিলেই তেওঁ ৰ'ব নোৱাৰে। উল্লেখ্য যে তেওঁ জড়িত 'ক্ৰিষ্টেল ভিজন'-এ ২০১৪ত দৰঙৰ শ্ৰেষ্ঠ সামাজিক অনুষ্ঠানৰ বঁটা লাভ কৰিছে। অনুষ্ঠানটোৱে দুখীয়া ছাত্ৰ-ছাত্ৰীক পঢ়া-শুনা কৰোৱাত সহযোগ কৰি আহিছে। তাৰে এটি দৃষ্টান্ত হৈছে দীপা শৰ্মা। দীপাই ইতিমধ্যে ৰেডিঅ'ল'জী বিষয়ত এম এছ চি সুখ্যাতিৰে উত্তীৰ্ণ হৈ দিল্লী গুড়গাঁৱৰ মেডাণ্ট হাস্পতালত এবছৰীয়া প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। শেখৰ ভেবাৰঘাটৰ 'কস্তুৰী শিশু গৃহ', 'কৰুণাধাৰা'ৰ মঙলদৈ শাখাৰ স'তেও জড়িত। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চিকিৎসক, অংগ সংৰোপণ বিশেষজ্ঞ পদ্মশ্ৰী ডাঃ সৰ্বেশ্বৰ চহৰীয়াৰ আহ্বানত সঁহাৰি জনাই তেওঁ মৰণোত্তৰভাৱে দেহদান কৰিবলৈ অংগীকাৰ কৰিছে। মজুমদাৰে কয়, 'সমাজক ভাল পাবলৈ, জীৱনক সদায় ইতিবাচক দৃষ্টিভংগীৰে ল'বলৈ তিনিজন ব্যক্তিৰ পৰা বিশেষ প্ৰেৰণা পাইছো। তেওঁলোক হৈছে ডাঃ ৰমা বৰা, ডাঃ দিপুল চৌধুৰী আৰু ড° হিৰণ্য নাথ।' জীৱনত কেতিয়া দুখ-সুখ লাগে জানিব বিচৰাত কয়, 'বেয়া লাগে যেতিয়া তেজ দিয়া মানুহজন নাবাচিল বুলি শুনো। ভাল লাগে যেতিয়া কোনোবাই আহি কয় যে মই তেজ দিয়া ল'ৰাজন বৰ্তমান অমুকত অমুক পঢ়ি আছে বুলি জনায়।'